Volume: 4 Issue: 9 Pages: 159-165




# ‘কৈশোৰ মনস্তাত্ত্বিক উপন্যাস হিচাপে ‘বকুল ফুলৰ দৰে’

*[1] **নয়নতৰা ভূঞা**

*[1] গৱেষক ছাত্ৰী, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, অসম, ভাৰত।

**Article Info.**
**E-ISSN:** 2583-6528
**Impact Factor (SJIF):** 6.876
**Peer Reviewed Journal**
**Available online:**
www.alladvancejournal.com

**Received:** 24/Aug/2025
**Accepted:** 23/Sep/2025

***Corresponding Author**
**নয়নতৰা ভূঞা**
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, অসম, ভাৰত।

**Abstract**
কৈশোৰ মনস্তত্ত্ব সম্পৰ্কীয় উপন্যাস অসমীয়া সাহিত্যত কিছু সীমিত। শিশু সাহিত্যৰ শাৰীতে আলোচিত হোৱা কিশোৰ কিশোৰী কেন্দ্ৰিক উপন্যাস সমূহৰ বিশেষত্ব সুকীয়া। মনোবিজ্ঞানে এই বিশেষত্ব সমূহ, বৃদ্ধি আৰু বিকাশৰ পৰ্যায়ত সন্মুখীন হোৱা সদৰ্থক, নঞাৰ্থক দিশসমূহ, ভিন্ন ক্ষেত্ৰৰ ভূমিকা সম্পৰ্কে ফঁহিয়াই আলোচনা কৰিছে। মৃণাল কলিতাৰ ‘বকুল ফুলৰ দৰে’ উপন্যাসখনত কৈশোৰ মনোজগতৰ এখন স্পষ্ট ছবি প্ৰতিফলিত হৈছে। মূল কিশোৰ চৰিত্ৰ অসীম আৰু মৃণালক কেন্দ্ৰ কৰি উপন্যাসখনে গতি লাভ কৰিছে। অসুস্থ ঘৰুৱা পৰিৱেশে সৃষ্টি কৰা মানসিক অস্থিৰতা, সংঘাত, সমস্যা আৰু সুস্থ পৰিৱেশে প্ৰদান কৰা মনোবল দুয়োটা দিশ আলোচিত হৈছে। বাল্যকাল আৰু প্ৰাপ্তবয়স্কৰৰ মাজৰ এই দুমোজাৰ সময়খিনিত সন্মুখীন হোৱা মানসিক সংঘাত, সুস্থ সমাযোজনত পৰিয়াল, বিদ্যালয়, সমাজৰ ভূমিকা, সমনীয়াৰ প্ৰভাৱ সম্পৰ্কে কাহিনীৰ মাজেৰে প্ৰকাশ ঘটিছে। পুৰণি আৰু নতুন শিক্ষা ব্যৱস্থাৰ মাজৰ সংঘাত, এই সংঘাতে ছাত্ৰ ছাত্ৰীৰ মানসিকতাত পেলোৱা প্ৰভাৱ সম্পৰ্কে গৱেষণা পত্ৰখনত আলোচিত হৈছে। পাঠ্যপুথি কেন্দ্ৰিক শিক্ষাব্যৱস্থাই ভাঙি পেলোৱা মনবোৰ আৰু পৰৱৰ্তী সময়ত নতুন শিক্ষাব্যৱস্থাৰে সৃষ্টিশীলতাক প্ৰদান কৰা গুৰুত্ব, সন্মান উপন্যাসখনত স্পষ্টভাৱে প্ৰতিফলন ঘটিছে। মূলত গৱেষণা পত্ৰখনত কিশোৰ মনোজগতৰ সুক্ষ্ম বিচাৰ তথা কৈশোৰ কেন্দ্ৰিক উপন্যাস হিচাপে বিশেষত্বৰ আধাৰত বিশ্লেষণ কৰি দেখুওৱা হৈছে।

**Keywords:** মনস্তত্ত্ব, কৈশোৰ মনস্তত্ত্ব, মানসিক অস্থিৰতা, সংঘাত, শিক্ষাব্যৱস্থা।

## 1.0 Introduction

সাহিত্য হৈছে মানৱ সমাজৰ সঞ্চিত আশা, আকাংক্ষা, সপোনৰ মৰ্মস্পৰ্শী আৰু মৌখিক প্ৰকাশ, যাৰ জৰিয়তে সুখ-দুখ তথা সামাজিক অভিজ্ঞতা লাভ কৰা হয়। সাহিত্যৰ সৈতে মনোবিজ্ঞানৰ এক শক্তিশালী সম্পৰ্ক আছে। ‘মনোবিজ্ঞান হৈছে মানুহ আৰু প্ৰাণীৰ আচৰণৰ বিজ্ঞান; ইয়াত এই বিজ্ঞানক মানুহৰ সমস্যাত প্ৰয়োগ কৰাটো অন্তৰ্ভূক্ত কৰা হৈছে’ (Morgan, king, Weisz & Schopler, 2016, P. 4)।

মনোবিজ্ঞানৰ দৰে সাহিত্যও মানুহৰ মনোজগতৰ সন্ধান কৰে। দুয়োটা ক্ষেত্ৰই মানুহ, তেওঁলোকৰ জীৱন, চিন্তা, ইচ্ছা, আৱেগ, অনুভূতি, প্ৰেম, ঘৃণা, ভয়, সংঘাত, কামনা, বাসনা, ক্ৰিয়া-প্ৰতিক্ৰিয়া আদি দিশসমূহৰ সন্ধান কৰে। জনাথন কেলাৰমেনৰ মতে, ‘মনোবিজ্ঞান আৰু কল্পকাহিনী যথেষ্ট সমকালীন আৰু মনোবিজ্ঞান হৈছে কল্পকাহিনীৰ বাবে নিজকে ধাৰলৈ দিয়া এটা ক্ষেত্ৰ। তেওঁ আৰু কয় যে মনোবিজ্ঞানে লেখকক চৰিত্ৰবোৰে কেনেকৈ চিন্তা কৰে, কাম কৰে আৰু কিয় এক নিদিষ্ট ধৰণে আচৰণ কৰে তাক চিত্ৰিত কৰাত সহায় কৰে’। (Dar, 2022, P. 285)।

“গতিশীলতা আৰু পৰিৱৰ্তনশীলতা হৈছে মানৱ আচৰণৰ এক প্ৰধান বৈশিষ্ট্য। এনে গতিশীল জৈৱিক আচৰণৰ বিজ্ঞানসন্মতভাৱে কৰা বাস্তৱ আৰু কাৰ্যকৰী অধ্যয়নেই হৈছে মনোবিজ্ঞানৰ বিষয়বস্তু”(মজুমদাৰ, ২০১৬, পৃঃ ১৮২)।

সাহিত্য আৰু মনোবিজ্ঞান দুয়োটা ক্ষেত্ৰই মানুহৰ আত্মাক অধ্যয়ন কৰাৰ লগতে মানৱ জীৱনক অধিক সৰল, সহজ আৰু সুন্দৰ কৰি তোলে।

**মনোবিশ্লেষণ মূলতঃ** মনোবিজ্ঞানৰ এটা প্ৰধান শাখা। মানুহৰ মন, আচৰণ, আৱেগ আদি গভীৰভাৱে বিশ্লেষণ কৰি মানুহৰ অভ্যন্তৰত লুকাই থকা ক্ৰিয়া প্ৰতিক্ৰিয়াসমূহ প্ৰকাশ কৰা বা অধ্যয়ন কৰাই হৈছে মনোবিশ্লেষণ। মন সম্পৰ্কীয় অধ্যয়নৰ মূল গুৰি ধৰোঁতা হৈছে চিগমাণ্ড ফ্ৰয়েড। ১৯ শতিকাৰ শেষ আৰু ২০ শতিকাৰ আৰম্ভনিতে ফ্ৰয়েডে সাহিত্য আৰু মনোবিশ্লেষণৰ মাজত সংযোগ স্থাপন কৰাৰ ফলস্বৰূপে মনোবিশ্লেষণ বা মনঃসমীক্ষাত্মক বা মনস্তত্ত্ব এটা তত্ত্ব হিচাপে প্ৰতিষ্ঠিত হয়। তেওঁ মানৱ মনক ইড, ইগো আৰু চুপাৰ ইগো এই তিনিধৰণে ভাগ কৰি বিশ্লেষণ আগবঢ়াইছে। পৰৱৰ্তী সময়ত জাঁক লাঁকা, কাৰ্ল গুস্তাভ য়ুং আদিয়ে মন সম্পৰ্কীয়

বিশ্লেষণ তত্ত্বটো নিজৰ মৌলিকতাৰে আগবঢ়াই নিয়ে। মনোবিশ্লেষণে মানুহৰ চিন্তা আচৰণৰ অন্তৰালৰ ইচ্ছা, সংঘাত, অভিজ্ঞতাৰ দিশসমূহ উন্মোচন কৰি অচেতন মনটোক সচেতন অৱস্থালৈ আনি সুস্থ আৱেগিক চিন্তা তথা বিকাশত সহায় কৰে।

অসমীয়া সাহিত্যত শিশু আৰু কিশোৰ কিশোৰী কেন্দ্ৰিক সাহিত্যক শিশু সাহিত্যৰ শ্ৰেণীতে অন্তৰ্ভুক্ত কৰি আলোচনা কৰা হয় যদিও মনোবিজ্ঞানৰ বিশেষত্বৰ আধাৰত বিচাৰ কৰি চালে তথা মনোজগতৰ সন্ধান কৰিলে শিশু আৰু কিশোৰ কিশোৰীৰ মনোজগতৰ মাজত পৃথক বিশেষত্ব দেখা যায়। লেটিন ভাষাৰ Adolescere শব্দৰ পৰা উৎপত্তি হোৱা ইংৰাজী Adolescence শব্দটোৰ অৰ্থ হৈছে "to grow" or "to grow to maturity"(Morgan, king, Weisz & Schopler, 2016, P. 222) অৰ্থাৎ পৰিপক্কতালৈ গতি কৰা। কিশোৰ কিশোৰী সকলৰ মনোবিজ্ঞান সম্পৰ্কে ভিন্নজনে সংজ্ঞা আগবঢ়াইছে।

এ.টি জেৰচিল্ড মতে, 'কিশোৰ বয়স হ'ল সেই বয়সৰ সময়সীমা, য'ত ল'ৰা-ছোৱালীয়ে শৈশৱৰ পৰা মানসিক, আৱেগিক, সামাজিক আৰু শাৰীৰিকভাৱে প্ৰাপ্তবয়স্কতালৈ গতি কৰে' (Agarwalla, 2021, P. 119)।

আমেৰিকাৰ প্ৰখ্যাত মনোবিজ্ঞানী ষ্টেনলি হল (Stanley Hall) এ তেওঁৰ বিখ্যাত গ্ৰন্থ Adolescence: Its Psychology ত কৈশোৰ সময়চোৱাক অতিমাত্ৰা মানসিক চাপৰ সময়, ধুমুহা আৰু পীড়নৰ সময় বুলি অভিহিত কৰিছে। 'সাধাৰণতে মনোবিজ্ঞানৰ যিটো শাখাই কিশোৰ কিশোৰীসকলৰ দেহ-মানসিক আচৰণৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ণ চলোৱাৰ প্ৰচেষ্টা চলায় সেয়াই হৈছে কিশোৰ কিশোৰীসকলৰ মনোবিজ্ঞান' (শৰ্মা, ২০২০, পৃ-১২)।

কৈশোৰ সময়চোৱা এটা নিদিষ্ট সংজ্ঞাৰে বান্ধিব নোৱাৰি আৰু কৈশোৰ সময়চোৱাৰ বয়সৰ সীমা সম্পৰ্কে পণ্ডিত, মনোবিজ্ঞানী সকলৰ মতৰ প্ৰভেদ পৰিলক্ষিত হয়। ফ্ৰয়েডৰ 'যৌন সম্বন্ধীয় বিকাশ তত্ব'ত কৈশোৰ সময়চোৱাক বাৰ বছৰৰ পৰা জননেন্দ্ৰীয়গত স্তৰ হিচাপে দেখুৱাই যৌনাংগসমূহ আনন্দ লাভৰ মুখ্য উৎস বুলি অভিহিত কৰিছে। জ্যাঁ প্যাজেৰ মতে, বাৰ বছৰ বয়সৰ পৰা আৰম্ভ হোৱা এই স্তৰটোত ল'ৰা-ছোৱালীয়ে যুক্তিৰে চিন্তা কৰিব পৰা হয়। এৰিক এৰিকচনৰ মতে, এই সময়চোৱা বাৰ বছৰত আৰম্ভ হৈ বিশ বছৰলৈ চলি থাকে। এৰিকচনে 'আত্ম পৰিচয় বনাম ভূমিকাৰ অনিশ্চয়তা' স্তৰ হিচাপে অভিহিত কৰা এই স্তৰটোত ল'ৰা-ছোৱালীয়ে আত্ম পৰিচয়ৰ সংকটত ভোগা আৰু সমাজত নিজৰ স্থান অনুসন্ধান কৰা দেখা যায়। আত্ম পৰিচয় আৰু সামাজিক স্থানৰ ক্ষেত্ৰত দেখা দিয়া সমস্যা সমাধান কৰিব নোৱাৰা কিশোৰ কিশোৰী হীনমন্যতাত ভোগাও দেখা যায়। প্ৰকৃতিবাদী দাৰ্শনিক ৰুছোৱে তেওঁৰ 'এমিলি' নামৰ গ্ৰন্থত বাৰ বছৰৰ পৰা পোন্ধৰ বছৰলৈ আগতীয়া কৈশোৰ কাল আৰু পোন্ধৰ বছৰৰ পৰা বিশ বছৰলৈ শেহতীয়া কৈশোৰ কাল হিচাপে অভিহিত কৰিছে। ইয়াৰ ওপৰি আৰ্নেষ্ট জোনচ, ডব্লিও. এম. ৰাইৰাৰ্ণ, WHO আদিয়ে মানৱ বৃদ্ধি আৰু বিকাশক বিশেষত্ব অনুযায়ী শ্ৰেণী বিভাগ কৰি দেখুৱাইছে।

বিভিন্ন জনৰ সংজ্ঞা তথা বিভাজনৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে সাধাৰণতে ১১-১২ বছৰৰ পৰা ১৮-১৯ বছৰ বয়সৰ শৈশৱ আৰু প্ৰাপ্তবয়স্কৰ মাজৰ সময়চোৱাত ব্যক্তি শাৰীৰিক, মানসিক, সামাজিক ভাৱে কেনেদৰে বিকাশ হয়, সেই সম্পৰ্কে অধ্যয়ন কৰাটোৱেই হৈছে কিশোৰ মনস্তত্ত্ব। ইয়াত সাধাৰণতে কিশোৰ বয়সত উদ্ভৱ হোৱা চিন্তা, আচৰণ, পৰিচয়, সম্পৰ্ক আৰু আৱেগৰ পৰিৱৰ্তন অন্বেষণ কৰা হয়। এই ক্ষেত্ৰখনে আভ্যন্তৰীণ আৰু বাহ্যিক কাৰকসমূহ যেনে- ব্যক্তিত্ব আৰু জ্ঞানমূলক বিকাশ, পৰিয়াল, সমনীয়া, সংস্কৃতি আৰু পৰিৱেশে কিশোৰ কিশোৰীৰ অভিজ্ঞতাক কেনেদৰে গঢ় দিয়ে, এই পৰিৱৰ্তনশীল পৰ্য্যায়ত অহা প্ৰত্যাহ্বান আৰু সুযোগ সমূহৰ সৈতে কেনেদৰে মোকাবিলা কৰে সেই সম্পৰ্কে অধ্যয়ন কৰে। এইচোৱা সময়ত কিশোৰ কিশোৰীয়ে আত্ম পৰিচয়ৰ সন্ধান কৰা লগতে কোনো সীদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত অভিভাৱক অথবা বয়োজ্যেষ্ঠ জনৰ পৰামৰ্শৰ পৰা ফালৰি কাটি আত্মকেন্দ্ৰিক ভাৱে সিদ্ধান্ত গ্ৰহণ কৰে অথবা সমনীয়াৰ ওপৰত নিৰ্ভৰশীল হোৱা পৰিলক্ষিত হয়।

কৈশোৰ কালচোৱা এক সমস্যাবহুল সময়। এই সময়চোৱাত কিশোৰ কিশোৰীয়ে পিতৃ-মাতৃ তথা শিক্ষকৰ পৰামৰ্শৰ বিপৰীতে স্বাধীনচিতীয়াভাৱে নিজৰ সমস্যা সমাধানৰ চেষ্টা কৰে যদিও তেওঁলোকে আশানুৰূপ ফলাফল নাপায়। এই সময়চোৱাত আত্মনিৰ্ভৰশীল হ'বলৈ প্ৰয়াস কৰাৰ লগতে আত্ম পৰিচয়ৰ সন্ধান কৰে। এটা সময়লৈকে দলৰ লগত একাত্ম হৈ থাকিলেও লাহে লাহে তেওঁলোকে নিজৰ আচাৰ-আচৰণৰ দ্বাৰা সুকীয়া পৰিচয় গঠনৰ চেষ্টাত ব্ৰতী হয় আৰু নিজৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে কোনো ভাল লগা বা আদৰ্শ ব্যক্তিৰ আচৰণশৈলী অনুকৰণ কৰি বীৰ জনৰ লগত নিজকে একাত্ম কৰাৰ চেষ্টা কৰে। অলীক কল্পনাৰ এই সময়চোৱাত ল'ৰা ছোৱালী এখন অৱাস্তৱ ৰঙীন জগতত বসবাস কৰে। এই অৱাস্তৱ কল্পনা তথা আশা আকাংক্ষাই অধিক আৱেগ প্ৰৱণ কৰি তোলে। আৰু যেতিয়া কঠোৰ বাস্তৱৰ সৈতে সংঘৰ্ষ হয় তেওঁলোকৰ অলীক কল্পনাসমূহ সন্মুখত বিভিন্ন সমস্যা হৈ ধৰা দিয়ে। যাৰ ফলত বহু সময়ত কিশোৰ কিশোৰী খঙাল, হতাশাগ্ৰস্ত আৰু মানসিক ভাৱে অস্থিৰ হৈ পৰা পৰিলক্ষিত হয়। বয়স্ককালৰ প্ৰৱেশদ্বাৰ কৈশোৰ কালচোৱাত ল'ৰা ছোৱালীয়ে নিজকে বয়স্ক যেন অনুভৱ কৰি তেওঁলোকৰ দৰে আচৰণ কৰিবলৈ বিচাৰে। যাৰ বাবে তেওঁলোকে মদ, ড্ৰাগচ সেৱন কৰাৰ লগতে যৌন সম্পৰ্কতো লিপ্ত হোৱা দেখা যায়। কৈশোৰ সময়চোৱাৰ বিভিন্ন দিশৰ বিকাশৰ ক্ষেত্ৰত অভিভাৱক আৰু বিদ্যালয়ৰ ভূমিকা অধিক। সুস্থ বিকাশৰ বাবে এই সময়চোৱাত কিশোৰ কিশোৰীক হেয় প্ৰতিপন্ন কৰাৰ বিপৰীতে বন্ধুত্বসুলভ ব্যৱহাৰে সন্তানৰ সমস্যাসমূহ, তেওঁলোকৰ অনুভৱসমূহ ধৰ্য্য সহকাৰে মনোযোগ দি ধনাত্মক আত্মপৰিচয় গঠনত সহায় কৰিব লাগে। যিবোৰ দিশে কোনো ক্ষতি কৰা সম্ভাৱনা নাথাকে তেনে ক্ষেত্ৰত পিতৃ-মাতৃয়ে স্বাধীনতা প্ৰদান কৰা উচিত। সুস্থ মানসিক তথা আৱেগিক বিকাশৰ বাবে ল'ৰা ছোৱালী উভয়ৰে লগত বন্ধুত্বপূৰ্ণ ব্যৱহাৰ জেৰচিল্ড এই সময়চোৱাত অধিক গুৰুত্বপূৰ্ণ দিশ। পিতৃ-মাতৃয়ে কঠোৰ সমালোচনাৰ বিপৰীতে সমৰ্থন আগবঢ়ালে কিশোৰ কিশোৰী বিদ্ৰোহী হৈ উঠাৰ বিপৰীতে সুস্থ সমাযোজনত সহায়ক হয়। সমাযোজন সঠিক ভাৱে নহ'লে কিশোৰ কিশোৰীৰ মানসিক স্বাস্থ্য অৱনতি ঘটাৰ লগতে হতাশা, বিষন্নতা, আশাহীনতা, আত্মধ্বংসী মনোভাৱ গঢ় লৈ উঠে, হীনমান্যতাত ভোগা দেখা যায় আৰু অন্তৰ্মুখী স্বভাৱলৈ গতি কৰে। অসুস্থ ঘৰুৱা পৰিৱেশ, অভিভাৱকৰ মাজত সঘনে হোৱা হাই-কাজিয়া, গাত হাত উঠোৱা, অশ্ৰাব্য গালি গালাজ, পৰস্পৰৰ মাজৰ বিশ্বাসহীনতাই গঢ় দিয়া ভগ্ন মানসিকতা, অপৰাধ প্ৰৱণ অভিভাৱক, পৰস্পৰৰ মাজৰ আস্থাহীনতা, দৰিদ্ৰতাই সৃষ্টি কৰা মানসিক বিষণ্ণতা, সহোদৰৰ মাজত প্ৰতিদ্বন্দ্বী মনোভাৱ, পিতৃ-মাতৃৰ আচৰণৰ পক্ষপাতীত্ব, অভাৱ-অনাটন আদিৰ বাবে বহু সময়ত সন্তান অপৰাধ প্ৰৱন হৈ উঠা দেখা যায়। বিদ্যালয়ৰ উপযুক্ত সুবিধাৰ অভাৱ, শিক্ষকৰ পক্ষপাতীত্বমূলক আচৰণ, অনুশাসনহীনতা, সহপাঠীৰ আগত কৰা গালি-গালাজ, প্ৰহাৰ, ক্ৰুটিপূৰ্ণ পাঠ্যক্ৰম, ক্ৰুটিপূৰ্ণ পৰীক্ষা ব্যৱস্থা আদিয়েও অপৰাধপ্ৰৱণ কৰি তোলে। যাৰ ফলত চুৰি কৰা, মদ্যপান, ড্ৰাগচ আসক্তি, আক্ৰমনাত্মক মনোভাৱ, ধৰ্ষণ, হত্যা, পলায়নবাদী মনোভাৱ

আদি গঢ় লৈ উঠে। কোনো কোনো সময়ত কিশোৰ কিশোৰী পৰিয়াল অথবা বিদ্যালয়ৰ এনে আচৰণৰ বাবে আত্মবিশ্বাসহীনতাত ভোগা, হতাশাগ্ৰস্থতা, হীনমন্যতাত ভোগী সমনীয়াৰ পৰা, সমাজৰ পৰা, ব্যৱস্থাৰ পৰা পলায়ন কৰি বিষণ্ণ, মানসিকভাৱে জৰাজীৰ্ণ হৈ জীৱনৰ প্ৰতি আস্থা হেৰুৱাই দিয়া দেখা যায়। কিশোৰ কিশোৰীৰ আত্মহত্যাৰ প্ৰৱণতা গঢ় লৈ উঠে। এনে ক্ষেত্ৰত পৰিয়াল আৰু বিদ্যালয়ে এক সদৰ্থক আচৰণ প্ৰদৰ্শন কৰি, যোগাত্মক তথা বন্ধুত্বসুলভ মনোভাৱেৰে সকলোৰে প্ৰতি সমভাৱ পোষণ কৰি, উচ্ছাস প্ৰদানেৰে ইতিবাচক পৰিৱেশ গঢ়ি তুলি অপৰাধপ্ৰৱনতা হ্ৰাস কৰিব পাৰে। বিদ্যালয় সমূহত অন্তৰ্মুখী ছাত্ৰ ছাত্ৰীৰ ক্ষেত্ৰত বিভিন্ন সৃষ্টিশীল তথা মনোৰঞ্জনমূলক বিভিন্ন প্ৰতিযোগীতা অনুষ্ঠিত কৰি আত্মবিশ্বাস গঢ়ি তুলিব পাৰে। কৈশোৰ কালৰ অন্তৰ্মুখীতা দূৰ কৰিবৰ বাবে আৱেগিক সমৰ্থন আগবঢ়াই, নেতৃত্ব প্ৰদানৰ লগতে উচ্ছাস প্ৰদান কৰা প্ৰয়োজন। এনে কৰিলে নেতিবাচক আচৰণ হ্ৰাস পায় আৰু কিশোৰ কিশোৰী আত্মবিশ্বাসী, দায়িত্বশীল হৈ পৰে আৰু সমাজৰ সৈতে সু সম্পৰ্ক স্থাপনত সহায়ক হয়।

মনোজগতক কেন্দ্ৰ কৰি অসমীয়া সাহিত্যত ভালেসংখ্যক উপন্যাস ৰচিত হৈছে। ২০২১ চনত সাহিত্য অকাডেমী 'শিশু সাহিত্য বঁটা' লাভ কৰা মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' উপন্যাসখনত কিশোৰ মনোজগতৰ এখন বাস্তৱ ছবি তুলি ধৰিছে। অসমীয়া সাহিত্যত শিশু আৰু কিশোৰ সাহিত্যৰ পৃথক অধ্যয়ন হোৱা নাই। কিন্তু মনস্তাত্বিত দৃষ্টিকোণেৰে যদি আমি চাওঁ তেনে শিশু আৰু কৈশোৰ কালচোৱাৰ মাজত শাৰীৰিক, মানসিক, সামাজিক, নৈতিক, ব্যক্তিত্ব আদি দিশত যথেষ্ট পাৰ্থক্য পাওঁ। বকুল ফুলৰ দৰে উপন্যাসখনৰ পটভূমি, বিষয়বস্তু, বয়সৰ সময়সীমা, বিশেষত্বসমূহ বিচাৰ কৰি চালে কিশোৰ কেন্দ্ৰিক উপন্যাস হিচাপেহে ধৰা দিয়ে। গতিকে শিশু আৰু কৈশোৰ সাহিত্যৰ ধাৰা পৃথকে অধ্যয়নৰ অত্যন্ত গুৰুত্ব পৰিলক্ষিত হয়।

'কিশোৰ মনস্তাত্বিক উপন্যাস হিচাপে বকুল ফুলৰ দৰে' শীৰ্ষক গৱেষণা পত্ৰখনৰ বাবে মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' গ্ৰন্থখনৰ পঞ্চম সংস্কৰণঃ জানুৱাৰী, ২০২০, বান্ধৱ প্ৰকাশন -পানবজাৰ, গুৱাহাটী-১ ৰ দ্বাৰা প্ৰকাশিত সংস্কৰণটো নিৰ্বাচন কৰা হৈছে। উক্ত গৱেষণা পত্ৰখনৰ জৰিয়তে উপন্যাসখনৰ বিষয়বস্তুৰ আভাস দিয়াৰ লগতে মনস্তাত্বিক দৃষ্টিকোণেৰে উপন্যাসখনত প্ৰকাশিত কৈশোৰ মনোজগতখন বিশেষত্বৰ আধাৰত বিশ্লেষণ কৰি দেখুওৱা হ'ব।

**1.1 বিষয়ৰ গুৰুত্বঃ** 'কিশোৰ মনস্তাত্বিক উপন্যাস হিচাপে বকুল ফুলৰ দৰে' শীৰ্ষক গৱেষণা বিষয়টিৰ গুৰুত্ব অধিক। কৈশোৰ মনস্তাত্বিক দৃষ্টিকোণেৰে উক্ত উপন্যাসখনৰ বৰ্তমানলৈ কোনোধৰণৰ বিশ্লেষণ দেখা পোৱা নাযায়। কিশোৰাৱস্থাৰ মানসিক জগতখন বিচাৰ কৰি, তেওঁলোকৰ ক্ষেত্ৰত ল'বলগীয়া ভূমিকা সমূহ উপন্যাসখনত স্পষ্ট। এই দিশসমূহ বিচাৰ বিশ্লেষণৰ বাবে উক্ত বিষয়টোৰ গুৰুত্ব আছে।

**1.2 বিষয়ৰ উদ্দেশ্যঃ** 'কিশোৰ মনস্তাত্বিক উপন্যাস হিচাপে বকুল ফুলৰ দৰে' শীৰ্ষক গৱেষণা বিষয়টিৰ মুখ্য উদ্দেশ্য হৈছে- ক)কৈশোৰ মনস্তাত্বিক উপন্যাস হিচাপে বিশেষত্বৰ আধাৰত বিশ্লেষণ কৰা।

খ) কিশোৰ কেন্দ্ৰিক উপন্যাস হিচাপে বিষবস্তু সম্পৰ্কে আলোকপাত কৰা।

**1.3 গৱেষণাৰ পৰিসৰঃ** উক্ত গৱেষণা পত্ৰখনত কেৱল কৈশোৰ মনোজগত সম্পৰ্কে আলোচিত হৈছে। উপন্যাসখন আন দৃষ্টিকোণেৰে বিচাৰ কৰা থল কিছু আছে যদিও উক্ত দিশসমূহ পৰিসৰৰ আঁওটালৈ অনা হোৱা নাই। উপন্যাসখনৰ বিষয়বস্তু আৰু উপন্যাসখনত প্ৰকাশিক কিশোৰ মনোজগতখনৰ বিচাৰ পৰিসৰত অন্তৰ্ভূক্ত কৰা হৈছে।

**1.4 গৱেষণাৰ পদ্ধতিঃ** 'কিশোৰ মনস্তাত্বিক উপন্যাস হিচাপে বকুল ফুলৰ দৰে' শীৰ্ষক গৱেষণা পত্ৰখন উপন্যাসখনৰ আধাৰত মনস্তাত্বিক দৃষ্টিকোণেৰে বিশ্লেষণ কৰি দেখুওৱা হ'ব।

## 2.0 উপন্যাসখনৰ বিষয়বস্তু

'বকুল ফুলৰ দৰে' উপন্যাসখনৰ বিষয়বস্তু হৈছে কিশোৰ মনোজগতৰ সন্ধান তথা মনোজগতৰ দ্বন্দ্ব। পুৰণি আৰু নতুন শিক্ষা ব্যৱস্থাৰ মাজৰ সংঘাত, ৰাজনীতিৰ ফোপোলা স্বৰূপ, শিক্ষিত আৰু অশিক্ষিতৰ সংঘাত, ভগ্ন সমাজ তথা পৰিয়ালে কিশোৰ মনোজগতত সৃষ্টি কৰা সংঘাত, সুস্থ চিন্তা, সঠিক পথ নিৰ্দেশনাই আত্মবিশ্বাসৰ জন্ম দি আত্মপৰিচয় গঠনত কৰা সহায়, কৈশোৰ কালচোৱাত সমনীয়াৰ প্ৰভাৱ উপন্যাসখনৰ মূল দিশ। মনোজগতৰ দ্বন্দ্ব, সংঘাত আৰু এই সংঘাতে সৃষ্টি কৰা মনোজগতৰ উত্থান-পতন উপন্যাসখনৰ মূল বিষয়। শিক্ষা ব্যৱস্থাৰ আঁসোৱাৰৰ বাবে জীৱনলৈ নামি অহা হতাশা, নিৰাশা, দৰিদ্ৰতাই সৃষ্টি কৰা মানসিক অস্থিৰতা, ইয়াৰ মাজতে অহা ইতিবাচক সহাৰি সম্ভাৱনা প্ৰকাশ পাইছে। উপন্যাসখনৰ এটা কেন্দ্ৰীয় চৰিত্ৰ ১৫-১৬ বছৰীয়া অসীমৰ মানসিক অস্থিৰতাৰে আৰম্ভণি ঘটা উপন্যাসখনত জীৱনে কঢ়িয়াই অনা সমস্যা সমূহৰ সৈতে মোকাবিলা কৰিব নোৱাৰা অসীমৰ পলায়নবাদী মনোভাৱ ৰূপায়িত হৈছে। অসুস্থ ঘৰুৱা পৰিৱেশ, দৰিদ্ৰতা, ব'ব নোৱাৰা জীৱন সংঘাতৰ বাবে সৃষ্টি হোৱা অস্থিৰ মানসিক অৱস্থাই জুৰুলা কৰা পৰিপ্ৰেক্ষিতত অতি মেধাৱী ছাত্ৰ অসীম শ্ৰেণীকোঠাৰ শেষৰ ছাত্ৰজনলৈ পৰিণত হৈছে। অসীমৰ মানসিক চাপ বৃদ্ধিত পৌৰাণিৰ শিক্ষা ব্যৱস্থাইও অৰিহণা যোগাইছে। কঠোৰ অনুশাসনে কিশোৰ কিশোৰীৰ মনত সৃষ্টি কৰা ভাৰসাম্যহীনতা, সঠিক সমাযোজনত সৃষ্টি কৰা বাধা, মনোবল ভাঙি দিয়া দিশসমূহ অসীম চৰিত্ৰটোৰ মাজেৰে প্ৰতিভাত হৈছে। খৰতকীয়া শাৰীৰিক বিকাশ, মানসিক বিকাশ, আবেগিক বিকাশে কৈশোৰ সময়চোৱা চঞ্চল, উত্তেজনাপূৰ্ণ আৰু সংবেদনশীল কৰি তোলে। অজানিতে সৃষ্টি হোৱা লাজ, ভয়, শংকা আদি সমস্যাসমূহ বন্ধুত্বসুলভ মনোভাৱেৰে দূৰ কৰি ভৱিষ্যতৰ সঠিক পথ দেখুৱাব নোৱাৰিলে অপৰাধপ্ৰৱন হৈ উঠাৰো পৰিলক্ষিত হয়। কিশোৰ কিশোৰীৰ সঠিক বিকাশত বিদ্যালয়ৰ ভূমিকা অধিক। মহেন্দ্ৰ মাষ্টৰৰ পৌৰাণিক শিক্ষণ নীতি আৰু অত্যধিক অনুশাসনৰ ফলত মানসিক ভাৱে জৰ্জৰিত হোৱা অসীমে শিলৰ কোৱাৰীত কাম কৰিবলৈ লয়। অৱশ্যে নতুন শিক্ষা ব্যৱস্থাৰে পথ প্ৰদৰ্শক হিচাপে অনুভৱ মাষ্টৰে উপন্যাসখনত এক সদৰ্থক ভাৱনাৰে, সুস্থ চিন্তাৰে, বন্ধুত্বসুলভ মনোভাৱেৰে অসীমৰ দৰে ছাত্ৰৰ উত্থান-পতন, সম্ভাৱনা সমূহৰ বুজ লৈ সঠিক নিৰ্দেশনাৰে সঠিক পথৰ সন্ধান দিছে। অনুভৱ মাষ্টৰৰ চিন্তা আৰু আদৰ্শক পিছৰ পৰ্যায়ত সকলোৱে সমৰ্থন কৰি ছাত্ৰ ছাত্ৰীৰ বাবে নতুন পথ প্ৰশস্ত কৰি তুলিছে। ইতিবাচক ঘৰুৱা পৰিৱেশে মনত জন্ম দিয়া সাহস, সদৰ্থক পৰিৱেশে সঠিক সমাযোজনত কৰা সহায়, সুস্থ আৱেগিক, নৈতিক, বৌদ্ধিক বিকাশ আন এটা কেন্দ্ৰীয় তথা কিশোৰ চৰিত্ৰ নিৰ্মলৰ মাজেৰে পৰিলক্ষিত হয়। জন্মগতভাৱে কঢ়িয়াই লৈ ফুৰা হৃদযন্ত্ৰৰ সমস্যাটোৰ বাবে আই. চি. ইউত থাকিও, বাৰে বাৰে চিকিৎসাধীন হ'ব লগা পৰিস্থিতিটো দৃঢ় মনোবলেৰে যুঁজ দিয়াৰ লগতে অসীমৰ সম্ভাৱনা সমূহ সঠিকভাৱে উলিয়াই আনি, তাক পুনৰ স্কুললৈ ঘূৰাই আনিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। নিৰ্মল আৰু অসীমৰ মাজৰ বন্ধুত্বই কিশোৰ কালৰ

সমনীয়াৰ প্ৰভাৱ স্পষ্ট কৰি তুলিছে। অনুভৱ মাষ্টৰৰ দৰে অধ্যয়নপুষ্ট, মৰমীয়াল, সঠিকভাৱে প্ৰতিভাসমূহ বিকশাই তুলিব পৰা শিক্ষকে অসুস্থ চিন্তাবোৰ সুস্থ চিন্তালৈ ৰূপান্তৰ কৰি সমাজ গঠনত সহায় কৰিব পাৰে সেই দিশটো উপন্যাসখনত স্পষ্ট। যাৰ পৰিণতি হিচাপে আত্ম পৰিচয়ৰ শংকাত ভূগা, হতাশাৰে জৰ্জৰিত হৈ নিজৰ সম্ভাৱনা সমূহ বিসৰ্জন দিব খোজা অসীমৰ দৰে ছাত্ৰক সঠিক পথলৈ ঘূৰাই আনিছে। অসীমৰ দেউতাকৰ দৰে ঘৰুৱা অশান্তি সৃষ্টি কৰা, মদকেই জীৱন বুলি ভবা, গণহতাশাৰ বলি হোৱা মানুহ জনে সৎ পথৰ সন্ধান কৰিছে। দৰিদ্ৰতা, অসুস্থ সামাজিক পৰিৱেশ, পৰীক্ষাৰ নম্বৰ কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ বাবে আধাতে স্কুলীয়া শিক্ষা সমাপ্ত কৰি বিপথে পৰিচালিত হোৱা ছাত্ৰ সকলকো যে শিক্ষা ব্যৱস্থাৰ সংশোধনে পুনৰ সৎ পথলৈ ঘূৰাই আনি শিক্ষাৰ ক্ষেত্ৰত আগ্ৰহী কৰি তুলিব পাৰে সেই দিশটো উপন্যাসখনত স্পষ্ট।

"অভাৱ আমাৰ মেধাৰ নহয়। আমাৰ মেধাৰ বিকাশহে বাধাগ্ৰস্ত হয় বিভিন্ন কাৰণত। মই ভাবো- আমাৰ পাঠ্যক্ৰমত গোলমাল আছে। শিক্ষাদানত গোলমাল আছে। পৰীক্ষা পদ্ধতিত গোলমাল আছে" (কলিতা, ২০২০, পৃঃ ৫৮)।

উপন্যাসখনত প্ৰকাশিত আন এটা দিশ হৈছে ৰাজনীতিৰ দুৰ্নীতিগ্ৰস্ততাই সৃষ্টি কৰা হতাশাজনক ছবিখন। বাহ্যিক জাক-জমকতাই সৃষ্টি কৰা আভ্যন্তৰীণ ফোঁপোলা স্বৰূপটো ঔপন্যাসিকে বিষয়বস্তুৰ মাজেৰে উদঙাই তুলিছে। শিক্ষা - সাহিত্য- সংস্কৃতিৰ পয়ালগা ৰূপটো, ৰাজনৈতিৰ প্ৰলোভন, কম্বল-আঁঠুৱাত বিক্ৰী যোৱা জনতাৰ ছবিখন উপন্যাসখনত স্পষ্ট।

"আমাৰ মনবোৰো দুৰ্নীতিগ্ৰস্ত। চৰকাৰী আঁচনিৰ নামত নেতাবোৰে কাম নকৰাকৈ ভাত এমুঠি খাব পৰা ব্যৱস্থা কৰি দিছে। ভোটৰ আগত টকা দুশটা দিছে, কম্বল এখন দিছে- সপৰিয়ালে তেওঁকেই ভোট কেইটা দি আহিছো" (কলিতা, ২০২০, পৃঃ ৬৫)।

উপন্যাসখনত উপস্থাপিত আন এটা দিশ হৈছে দৰিদ্ৰতা আৰু সামাজিক স্খলন। ইয়াৰ ফলত বৃদ্ধি পোৱা গণহতাশা অনুভৱ মাষ্টৰ আৰু জিলমিলৰ কথোপকথনৰ মাজেৰে প্ৰকাশ পাইছে। স্বাধীনতাৰ অত বছৰৰ পিছতো প্ৰগতিৰ নামত কেৱল সীৰ ফুলাই নিৰ্বাচনৰ আগে আগে ৰাইজৰ ওচৰত ভাষন প্ৰদান কৰা নেতাবোৰৰ স্বৰূপ উদঙাই দিছে।

"ধুৰন্ধৰ অযোগ্য নেতা-পালিনেতাৰ খঁক-মৰখঁকে মানুহবোৰক জীয়াতু ভোগাইছে" (কলিতা, ২০২০, পৃঃ ৯৩)।

উপন্যাসখনৰ শেষৰফালে আশাৰ উন্মেষ ঘটিছে। ৰমেনহঁতৰ দৰে স্কুল এৰা ছাত্ৰ-ছাত্ৰীক পুনৰ স্কুললৈ ঘূৰাই অনাৰ প্ৰয়াস, পুথিভঁৰাল স্থাপন, সঠিক পথ প্ৰদৰ্শনৰ ফলত অসীমৰ জীৱনলৈ অহা পৰিৱৰ্তন, নিৰ্মল আৰু অসীমৰ আশানুৰূপ ফলাফলৰ লগতে অন্যান্য প্ৰতিভাসমূহৰো যে এক স্থান-মান আছে সেই দিশসূহৰ উপস্থাপনে সদৰ্থকতা প্ৰদান কৰিছে।

### 3.0 'বকুল ফুলৰ দৰে' উপন্যাখনক প্ৰকাশিত কৈশোৰ মনস্তত্ত্ব

মৃণাল কলিতাৰ 'বকুল ফুলৰ দৰে' উপন্যাস খনত কৈশোৰ মনোজগতখন স্পষ্ট ৰূপত প্ৰতিফলন ঘটিছে। অসমৰ গ্ৰাম্যাঞ্চলৰ পৰিৱেশত ৰচিত এই উপন্যাস খন কৈশোৰ মনোজগত খনৰ অভ্যন্তৰলৈ সোমাই তেওঁলোকৰ সুস্থ মানসিক বিকাশৰ ক্ষেত্ৰত আহি পৰা আৰ্থ সামাজিক প্ৰত্যাহ্বান, ব্যৱস্থাগত ত্ৰুটি, দৰিদ্ৰতা আদি দিশসমূহৰ ওপৰত গভীৰ আলোকপাত কৰিছে।

অসীমৰ মানসিক অস্থিৰতা, নিৰ্মলৰ শাৰিৰীক অসুস্থতা, অসীমৰ দৰিদ্ৰতাই কোঙা কৰা অসুস্থ ঘৰুৱা পৰিৱেশ, নিৰ্মলৰ স্বচ্ছল মৰমেৰে পৰিপূৰ্ণ ঘৰখনে গঢ় দিয়া চৰিত্ৰ দুটাৰ মাজেৰে ঔপন্যাসিকে কিশোৰৰ মনোজগত খন বিচাৰ কৰিবলৈ যাওঁতে আৰ্থ সামাজিক দিশটোৱে কিশোৰ মনত পেলোৱা প্ৰভাৱ সম্পৰ্কেও বিচাৰ কৰিছে। অসুস্থ ঘৰুৱা পৰিৱেশে সৃষ্টি কৰা হতাশা, পলায়নবাদী মনোভাৱ, একাকীত্ব প্ৰিয়তা আদি কিশোৰৰ বিশেষত্ব সমূহ অসীম চৰিত্ৰটোৰ মাজেৰে পৰিলক্ষিত হয়।

উপন্যাসখনৰ আৰম্ভনিতে অসীমৰ মানসিক অস্থিৰতা, পলায়নবাদী স্বৰূপটো প্ৰকাশিত হৈছে।

"কোনোবাই তাৰ লগত কথা পাতিবলৈ বিচাৰিলে বা ওচৰ চাপিলে সি বৰ অস্বস্তি অনুভৱ কৰে। যেন এডাল কেৰেলুৱা, চুই দিলেই কোঁচ খাই পৰি থাকিব নিশ্চল হৈ।" (কলিতা, ২০২০, পৃ. ১)

অসীম স্কুলৰ পৰা আঁতৰি অহাৰ মূল কাৰণ হৈছে পাৰিবাৰিক সমস্যা। পিতৃৰ অত্যধিক মদ্যপানৰ ফলত হোৱা আৰ্থিক নাটনি। যাৰ বাবে অসীমৰ শৈক্ষিক দিশটোলৈ গভীৰ অন্ধকাৰ নামি আহিছে। অসীমে শিলৰ কোৱাৰীত কাম কৰিবলৈ আৰম্ভ কৰাৰ পৰা পিতৃৰ মদ্যপানৰ পৰিমান বৃদ্ধি পাইছে। ফলত ঘৰুৱা দ্বন্দ্ব অধিক বৃদ্ধি পাইছে। দৰিদ্ৰতা আৰু ঘৰুৱা অস্থিৰতাই কিশোৰ এজনৰ শৈক্ষিক আৰু আৱেগিক বিকাশত কেনেদৰে ব্যাঘাট জন্মাব পাৰে তাৰ ওপৰত ঔপন্যাসিকে গুৰুত্ব আৰোপ কৰিছে।

"অসীমক আচৰিত কৰি দি বাপেকে মাকক প্ৰচণ্ড চৰ এটা শোধাই দিলে। তাৰ পিছত এটা বন্য জন্তুৱে কেঁচা মাংস থাপ মাৰি কাঢ়ি লোৱাৰ দৰে বাপেকে মাকৰ হাতৰ পৰা টকা কেইটা চোঁ মাৰি কাঢ়ি লৈ গ'ল। হতবাক হৈ সেই দৃশ্য চাই ৰ'ল অসীমে।" (কলিতা, ২০২০, পৃ. ১৭)

এনেধৰণৰ ঘটনাৰ ফলত কিশোৰ চৰিত্ৰ অসীমৰ মানসিক, আবেগিক অস্থিৰতা প্ৰতিফলিত হৈছে এনেদৰে।-

"এনেকুৱা ঘটনা সৃষ্টি হ'লে সি কি কৰিব লাগে অসীমে নাজানে। ভয় আৰু উত্তেজনাত কেতিয়াবা তাৰ উশাহ বন্ধ হৈ যাব খোজে। বুকুখনৰ ধপ ধপ শব্দ সি যেন নিজেই শুনিবলৈ পায়। তাৰ ভয় লাগে। দুখ লাগে। খং উঠে। বিৰক্তি লাগে। ক'ৰবালৈ গুচি যাবলৈ মন যায়।" (কলিতা, পৃঃ ১৮, ২০২০)

ষ্টেনলি হলে কৈশোৰ কালচোৱা অতিমাত্ৰা চাপ, ধুমুহা আৰু দ্বন্দ্বৰ সময় বুলি অভিহিত কৰিছে। সুস্থ ঘৰুৱা পৰিৱেশ, শৈক্ষিক পৰিৱেশ অবিহনে কিশোৰ কিশোৰী সকল জীৱনৰ পৰিৱৰ্তন সমূহৰ সৈতে সামঞ্জস্য স্থাপন কৰাত বিফল হয়। এই সময়চোৱাত কিশোৰ কিশোৰী সকলৰ জীৱন প্ৰত্যাহ্বান পূৰ্ণ হৈ উঠে। আত্ম পৰিচয় গঢ় দিয়াৰ গভীৰ আকাংক্ষাত মানসিক চাপৰ সন্মুখীন হয়। আত্ম পৰিচয়ৰ যুঁজখনত অস্থিৰ হৈ পৰা অসীমে যাৰ বাবে পলায়নবাদী মনোভাৱ পোষণ কৰিছে। ভগ্ন পৰিয়াল, দৰিদ্ৰতা, উপযুক্ত মনোভাৱৰ অভাৱ আদিয়ে অসীমৰ মনত সৃষ্টি কৰিছে গভীৰ দুখবোধ, শংকা, বিশ্বাসহীনতা আৰু সমাযোজনৰ সমস্যা। খলা বমা, চাকনৈয়াৰে ভৰা এই সময়চোৱা বহু সময়ত বয়স্কসকলে সহানুভূতিৰে বিবেচনা কৰিবলৈ অসমৰ্থ হোৱা দেখা যায়। উপন্যাসখনৰ প্ৰথমাৰম্ভাত অসীমৰ দেউতাক, মহেন্দ্ৰ মাষ্টৰ চৰিত্ৰ দুটাৰ মাজেৰে এনে অসমৰ্থতা প্ৰকাশ পাইছে।

শিক্ষা ব্যৱস্থাৰ প্ৰত্যাহ্বানসমূহে সৃষ্টি কৰা কিশোৰ মনোজগতৰ দ্বন্দ্ব উপন্যাসখনত প্ৰকাশিত আন এক দিশ। উপন্যাসখনত ব্যক্তিগত দিশত বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা ছাত্ৰ ছাত্ৰী সকলক তিৰস্কাৰ, মস্কৰাৰে শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰাই ৰখা সংবেদনহীন শৈক্ষিক ব্যৱস্থাটোক ঔপন্যাসিকে সমালোচনা কৰিছে। কৈশোৰ কালচোৱাৰ সঠিক বিকাশ তথা সুস্থ সমাযোজনত বিদ্যালয়ৰ ভূমিকা অসীম। শিক্ষকৰ ঠাট্টা মস্কৰা, অধিক শাস্তি তথা কঠোৰ অনুশাসনে সুস্থ সমাযোজনত

নঞাৰ্থক প্ৰভাৱ পেলায়। অসীমৰ শৈক্ষিক প্ৰদৰ্শন হ্ৰাস পোৱা আৰু পৰৱৰ্তী সময়ত হাৰ মানিবলৈ বাধ্য কৰোৱা ব্যৱস্থাটো ঔপন্যাসিকে আলোকপাত কৰিছে। মহেন্দ্ৰ মাষ্টৰ চৰিত্ৰটোৰ জৰিয়তে পুৰণা শিক্ষা ব্যৱস্থা, কঠোৰ অনুশাসন, ছাত্ৰ-ছাত্ৰীক প্ৰহাৰ কৰা কাৰ্যই কিশোৰাৱস্থাত হোৱা ক্ষতি, আত্মবিশ্বাসহীনতাত ভোগা, অত্যধিক মানসিক চাপৰ সৃষ্টি, অন্তঃমুখী স্বভাৱ আৰু গভীৰ হতাশাৰ ছবি এখন অসীম চৰিত্ৰটোৰ মাজেৰে প্ৰকাশিত হৈছে। তিনিবছৰৰ আগতে স্কুলৰ জুৱেল বুলি প্ৰশংসা কৰা মহেন্দ্ৰ মাষ্টৰে এজন অচিনাকী ব্যক্তিৰ সন্মুখত কাণতলীয়া চৰ এটা সোধাই "তই অধঃপাতে গ'লি..."(কলিতা, ২০২০, পৃ. ১০) বুলি গৰ্জি উঠা কথাষাৰে অসীমক মানসিকভাৱে থকা সৰকা কৰিছে। কিশোৰ কিশোৰীৰ ব্যক্তিত্ব বিকাশৰ ক্ষেত্ৰত শিক্ষকৰ প্ৰেৰণা, আচৰণ অতি গুৰুত্বপূৰ্ণ। বাল্যকাল আৰু বয়স্ককালৰ মাজৰ এই দুমোজাৰ সময়খিনিত কিশোৰ কিশোৰীসকল জটিল প্ৰত্যাহ্বানৰ সন্মুখীন হয়। বাঢ়িবলৈ ধৰা এজোপা বৃক্ষসদৃশ এই সময়চোৱাত সঠিক সাৰ পানী নাপালে কেৰুণে ধৰিবলৈ আৰম্ভ কৰে। অসীম চৰিত্ৰটোও সঠিক পথ প্ৰদৰ্শকৰ অভাৱত জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ এই সময়চোৱাত কেৰুণে ধৰা পুলি সদৃশ হৈ উঠিছে। বন্ধু অসীমৰ আপ্ৰাণ চেষ্টাত পুনৰ বিদ্যালয়লৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা অসীম মহেন্দ্ৰ মাষ্টৰৰ শাৰীৰিক শাস্তিত দুখে অপমানে জৰ্জৰিত হৈ মানসিক ভাৱে অস্থিৰ হৈ পৰিছে। কৈশোৰাৱস্থাত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলৰ বন্ধুত্বসুলভ মনোভাৱ অতি প্ৰয়োজনীয় দিশ। মহেন্দ্ৰ মাষ্টৰৰ আচৰণে নিৰ্মলকো হতাশাত ভূগাইছে।

ঔপন্যাসিকে কিশোৰ মনোজগতৰ এই হতাশাৰ ছবিখন প্ৰকাশ কৰিছে এনেদৰে-

"ডাঙৰ মানুহবোৰ কিয় ইমান অবুজ হয়? অসীমহঁতৰ দুখবোৰ, সমস্যাবোৰ কিয় তেওঁলোকে বুজিবলৈ চেষ্টা নকৰে? অসীমৰ দৰে ভাল ল'ৰাটো পঢ়াত কিয় ইমান বেয়া হৈ গ'ল, সেই কথা মহেন্দ্ৰ মাষ্টৰহঁতে কিয় বুজিবলৈ চেষ্টা নকৰিলে?" (কলিতা, ২০২০, পৃ.৩৫)।

কৈশোৰ সময়চোৱাত ল'ৰা ছোৱালীৰ লাজ, ভয়, শংকা আদিসমূহ বৃদ্ধি পায়। এই সময়ত তেওঁলোকৰ পৰিৱৰ্তন সমূহ আনৰ চকুত পৰাৰ আশংকাত ভোগে।

"অসীম-নিৰ্মলহঁতৰো যে মান-অভিমান থাকিব পাৰে সেই কথা মহেন্দ্ৰ মাষ্টৰহঁতে কিয় বুজি নাপায়? সমনীয়াৰ আগত বেয়াকৈ গালি পাৰিলে, মাৰ-পিট কৰিলে সিহঁতে যে লাজ পায় সেই কথাও তেওঁলোকে বুজি নাপায়নে?" (কলিতা, ২০২০, পৃ. ৩৫)।

"ডাঙৰ মানুহবোৰে কিয় সৰু ল'ৰা ছোৱালীবোৰৰ দুখবোৰ, সমস্যাবোৰ বুজি নাপায়? ডাঙৰবোৰে ভাৱে সিহঁতে খেলিব লাগিব, পঢ়িব লাগিব আৰু হাঁহিব লাগিব। কেতিয়াবা যদি অসীমৰ দৰে কোনোবাই নেখেলা হয়, নপঢ়া হয়, নহঁহা হয় তেতিয়া ডাঙৰবোৰৰ মহেন্দ্ৰ মাষ্টৰৰ দৰে খং উঠি যায়।" (কলিতা, ২০২০, পৃ. ৩৫)।

আৱেগ, মৰম-চেনেহ, আন্তৰিকতাপূৰ্ণ পৰিৱেশৰ অভাৱে সৃষ্টি কৰা অস্থিৰতা, অবাঞ্চনীয় কৰ্তৃত্বই সৃষ্টি কৰা কিশোৰ মনৰ বিদ্ৰোহ উপন্যাসখনত প্ৰতিফলিত হৈছে। এনে পৰিৱেশে কিশোৰ সকলে প্ৰায়ে সন্মুখীন হোৱা নিম্ন আত্মমূল্যবোধৰ অনুভূতি আৰু তীব্ৰতৰ কৰি তোলে।

কৈশোৰ কালৰ সামাজিক, আৱেগিক, নৈতিক, ব্যক্তিত্বৰ বিকাশৰ ক্ষেত্ৰত সমনীয়াৰ প্ৰভাৱ অপৰিসীম। তেওঁলোকৰ বাবে সমনীয়াৰ প্ৰভাৱ আৰু গুৰুত্ব অভিভাৱকতকৈ শক্তিশালী হয়। সহযোগিতা, ভাতৃত্ব, নেতৃত্ব, ন্যায়, একতা আদি গুণবোৰ সমনীয়া দলৰ পৰা আয়ত্ব কৰাৰ লগতে আত্মধাৰণা, মূল্যবোধ, আত্মসন্মান, দায়িত্ববোধ আদি দিশসমূহো সমনীয়াৰ প্ৰভাৱতে শক্তিশালী হৈ উঠে। আলোচিত উপন্যাসখনতো সমনীয়াৰ প্ৰভাৱে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

নিৰ্মলে অসীমৰ মনত আত্মবিশ্বাসৰ জন্ম দি আত্মধাৰণা বিকশাই তোলাৰ, অসীমক তাৰ সামৰ্থতাসমূহ অনুভৱ কৰোৱাই আগুৱাই লৈ যোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

"তোৰ কি হৈছে মোক ক'বি অসীম? . . . . . . . . আপোন কাৰোবাক, অন্তৰংগ কাৰোবাকহে তেনেদৰে কথা ক'ব পাৰি।" (কলিতা, ২০২০, পৃ.১৯)।

নিৰ্মলৰ আৱেগিক সমৰ্থনে অসীমৰ মনোজগতলৈ সুস্থিৰতা কঢ়িয়াই আনিছে। সমনীয়াৰ ইতিবাচক সহাঁৰিয়ে বাহ্যিক আৰু আভ্যন্তৰীণ প্ৰত্যাহ্বানসমূহ লাঘৱ কৰিব পাৰে। অসীম আৰু নিৰ্মলৰ মাজৰ বন্ধুত্বই কিশোৰাৱস্থাত সমনীয়াৰ গুৰুত্ব তথা প্ৰভাৱ প্ৰতিফলিত কৰিছে। অনুভৱ মাষ্টৰৰ সহায়ত নিৰ্মলে কৰা নিস্বাৰ্থ চেষ্টাৰ ফলশ্ৰুতিত অসীম পুনৰ স্কুলৰ জুৱেল হৈ উঠিছে। নিৰ্মলৰ প্ৰতিও অসীমৰ স্নেহ, বন্ধুৰ প্ৰতি থকা নিস্বাৰ্থ সহানুভূতি প্ৰকাশিত হৈছে। পৰীক্ষাৰ ভৰপক প্ৰস্তুতিৰ সময়তো নিৰ্মলৰ ক্ষতি নহওক বুলিয়েই তাৰ কাষত বহি ডাঙৰ ডাঙৰকৈ পঢ়িছে, মানসিক ভাৱে ভাগি নপৰিবলৈ নিৰ্মলৰ সৈতে সময় কটাইছে। ৰমেণহঁতৰ দৰে অভাৱত পৰি স্বভাৱ নষ্ট হোৱা লগৰীয়াৰ প্ৰতিও নিৰ্মলৰ অন্তৰখনে হাহাকাৰ কৰি উঠিছে। কাৰণ শিক্ষাৰ অধিকাৰ ৰমেণহঁতৰো আছে। আস্থা আৰু সঁহাৰিয়ে কৈশোৰ কালৰ আত্মবিশ্বাস বঢ়াই তোলে। নিৰ্মলৰ আস্থাই অসীমৰ আত্মবিশ্বাস বঢ়াই তুলিছে।

কৈশোৰ কালচোৱাত ল'ৰা ছোৱালী আবেগৰ দুখদায়ক আৰু সুখদায়ক দুয়োটা দিশৰ প্ৰতি যথেষ্ট ক্ৰিয়াশীল হৈ উঠা পৰিলক্ষিত হয়। ইতিবাচক ঘৰুৱা পৰিৱেশ, আন্তৰিকতাপূৰ্ণ ঘৰুৱা পৰিৱেশ, কিশোৰ কিশোৰীৰ স্থান আৰু মানক গুৰুত্ব প্ৰদানেৰে ঘৰুৱা কাৰ্যত সুযোগ সুবিধা প্ৰদান, বন্ধুত্বসুলভ ব্যৱহাৰে সঠিক সমাযোজনত কৰা সহায়, আত্মবিশ্বাসে সুস্থ মানসিক বিকাশত কৰা সহায় নিৰ্মল চৰিত্ৰটোৰ মাজেৰে প্ৰকাশিত হৈছে। জন্মগতভাৱে লৈ অহা হৃদযন্ত্ৰৰ অসুখটোৰ বাবে বাৰে বাৰে চিকিৎসাধীন হৈও পিতৃ মাতৃৰ মৰম, আদৰ, সদৰ্থক চিন্তাধাৰাই নিৰ্মলৰ মনোবল বৃদ্ধি কৰিছে।

কিশোৰ কিশোৰীসকলৰ সুস্থ মানসিতকা গঢ় দিয়াত শিক্ষক সকলৰ ভূমিকা অধিক। আৱেগিক সমৰ্থন, বন্ধুত্বপূৰ্ণ মনোভাৱে আত্মবিশ্বাসী কৰি তোলাৰ সমান্তৰালভাৱে আত্মপৰিচয় গঠনত সহায় কৰে। শিক্ষকসকলৰ নমনীয়তা, মৰম চেনেহ, শক্তিশালী ব্যক্তিত্বৰ প্ৰভাৱে ছাত্ৰৰ চিন্তা, অনুভূতিক বিশেষ মাত্ৰা দান কৰে। 'বকুল ফুলৰ দৰে' উপন্যাসখনত অনুভৱ মাষ্টৰে এইক্ষেত্ৰত কিশোৰ মনোজগতখনৰ সন্ধানত পথ প্ৰদৰ্শক হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসীমৰ মানসিক দ্বন্দ্বৰ সঠিক সন্ধান পাইছে অনুভৱ মাষ্টৰে। অনুভৱ মাষ্টৰৰ দৰে সহানুভূতিশীল বন্ধুত্বসুলভ মনোভাৱ, ছাত্ৰ-ছাত্ৰীৰ মনোজগতখন ফঁহিয়াই উপযুক্ত আৰু সঠিক ভাৱে শিক্ষা প্ৰদান কৰিলে কিশোৰ মনোজগতৰ মানসিক চাপ আৰু গভীৰ আশংকা নিৰ্মূল কৰি সঠিক পথ দেখুৱাব পাৰি আৰু শিক্ষা ব্যৱস্থাটো এই ছাত্ৰ ছাত্ৰীৰ বাবে যে আসোঁৱাৰপূৰ্ণ সেই দিশ উপন্যাসখনত স্পষ্ট। উপন্যাসখনত পুৰণি শিক্ষা ব্যৱস্থা আৰু নতুন শিক্ষাদান পদ্ধতিৰ মাজৰ সংঘাতৰ সমান্তৰালভাৱে নতুন শিক্ষাদান ব্যৱস্থাৰ নমনীয়তা আৰু শিক্ষাৰ্থী সকলৰ মানসিক বিকাশৰ বাবে সঠিক সেই দিশটো ঔপন্যাসিকে প্ৰতিষ্ঠা কৰিছে।

পাঠ্যপুথিকেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ চেঁপাত হেৰাই যোৱা সৃষ্টিশীল, সহানুভূতিশীল মনবোৰ উপন্যাসখনত স্পষ্ট। অতনুৱে নিজৰ ভাষাৰে লিখা গল্পটোৰ বাবে প্ৰশান্ত মাষ্টৰে দিয়া শাস্তিয়ে মানসিক ভাৱে ভাঙি পেলাইছে।

"লাজ হতাশা আৰু আতংকত তাৰ মুখখন শুকাই গৈছিল। - - - - - - ইমান অপমানৰ বোজা ইমান কম বয়সতে বেচেৰাই বব পাৰিবনে?"(কলিতা, ২০২০,পৃ. ৪৪)।

অতনুৰ সৃষ্টিশীল মনটোক প্ৰশংসা কৰাৰ বাবে অনুভৱ মাষ্টৰ জ্যেষ্ঠ শিক্ষকৰ পৰা অপদস্থ হোৱা কথাটোৱে পুৰণি আৰু নতুনৰ সংঘাত স্পষ্ট কৰি তুলিছে।

"প্ৰশান্ত আৰু অনুভৱৰ ৰূপত শিক্ষা ব্যৱস্থাৰ দুটা চিন্তাধাৰাৰ সংঘাত হৈছে।"(কলিতা, ২০২০, পৃ. ৫৩)।

অতনু, অসীমৰ দৰে দহ-এঘাৰ বছৰীয়া, পোন্ধৰ-ষোল্ল বছৰীয়া ছাত্ৰ-ছাত্ৰীৰ মনোজগতখন ফঁহিয়াই দেখুৱাইছে অনুভৱ মাষ্টৰ চৰিত্ৰটোৰ জৰিয়তে।

"বয়স বেছি বাবে আমাৰ অভিজ্ঞতা বেছি। আৰু সেইবাবেই অপমানৰ যন্ত্ৰণাও আমি বহুত কমাই ল'ব পাৰোঁ। কিন্তু অতনুহঁতৰ বয়স বহুত কম। অপমান, ধিক্কাৰে সিহঁতক কষ্ট বেছিকৈ দিয়ে। সেইদিনা অতনুৰ চকু-মুখত দুখ আৰু যন্ত্ৰণাৰ যি গভীৰ ছায়া দেখা পাইছিলো – সেই দুখ আৰু যন্ত্ৰণাৰ পৰা সি বৰ সহজে মুক্তি নাপালে হেতেঁন। - - - - -ভৱিষ্যতে সি হৈ পৰিলেহেঁতেন আত্মবিশ্বাসহীন এক নাগৰিক।" (কলিতা, ২০২০, পৃ. ৫৬)।

প্ৰশংসা কৰা, সাহস প্ৰদান কৰা, প্ৰেৰণা, উৎসাহ আদি কাৰ্যই সুস্থ আবেগিক বিকাশ সাধনৰ লগতে শৈক্ষিক দিশৰো বিকাশ সাধন কৰে। শিক্ষা ব্যৱস্থাৰ আঁসোৱাৰৰ বাবে ৯৭% নম্বৰ পোৱাৰ পিছতো ছাত্ৰ ছাত্ৰীয়ে আত্মহত্যা কৰা কাৰ্য সংঘটিত হয়। মৌলিক চিন্তা চৰ্চা আৰু সৃষ্টিশীলতাক গুৰুত্ব নিদিয়া শিক্ষা ব্যৱস্থাই মেধাৰ বিকাশৰ বাধা প্ৰদান কৰে। নম্বৰ কেন্দ্ৰিক শিক্ষা ব্যৱস্থাত হাত উজান দিয়াত শিক্ষক সকলো যে দায়ী সেই কথা ঔপন্যাসিকে প্ৰকাশ কৰিছে। যাৰ ফলত কিশোৰ কিশোৰীৰ সঠিক বিকাশ বাধাপ্ৰাপ্ত হয়।

অনুকৰণপ্ৰিয়তা হৈছে কৈশোৰ কালৰ এক লেখত লবলগীয়া দিশ। কিশোৰ কিশোৰীয়ে ভাল লগা ব্যক্তিজনৰ সকলো দিশ অনুকৰণ কৰিব খুজে। তেওঁলোকৰ প্ৰতিটো দিশ ভাল লগা হৈ উঠে। অনুভৱ মাষ্টৰৰ ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰী সকলৰ অনুভূতি, চিন্তা আৰু ক্ৰিয়াক এক বিশেষ ৰূপত গঢ় দি তুলিছে। অসীম আৰু নিৰ্মলৰ কাৰণে অনুভৱ মাষ্টৰ হৈ উঠিছে আদৰ্শ।

কৈশোৰ কালচোৱাত ল'ৰা ছোৱালী আত্মনিৰ্ভৰশীল হ'বলৈ যত্ন কৰে। আনৰ সহায়ৰ বিপৰীতে নিজেই নিজৰ উপাৰ্জনৰ পথৰ সন্ধান কৰে। অসীমে অনুভৱ মাষ্টৰে দিয়া টকা লৈ থাকিবলৈ আত্মসন্মানত আঘাত কৰিছে। যাৰ বাবে পঢ়িবলৈ পুনৰ আৰম্ভ কৰা অসীমৰ মনৰ কথা উপলব্ধি কৰি অনুভৱ মাষ্টৰে কামৰ যোগাৰ কৰি দিছে। অসীমে আনন্দমনেৰে হকাৰৰ কামটো কৰাৰ লগতে পঢ়া শুনাৰ প্ৰতিও সমানে মনোযোগ দিব পাৰিছে। ইতিবাচক দৃষ্টিভংগী গঠনৰ বাবে কৈশোৰ কালচোৱাত কি কৰিব, কেনে সংগী নিৰ্বাচন কৰিব, কেনেধৰণৰ কিতাপ পঢ়িব সেই দিশসমূহ সঠিকভাৱে দেখুৱাই দিব পাৰিলেহে সঠিকভাৱে মনোজগতৰ বিকাশ সাধন হ'ব।

"তুমি কি গীত শুনা, কি কিতাপ পঢ়া – সেইবোৰে তুমি ক'ব নোৱাৰাকৈয়ে তোমাৰ ভিতৰৰ মানুহটোক গঢ় দিয়ে।" (কলিতা, ২০২০, পৃ. ১২১)।

"তোমাৰ মনটো এখন মোনাৰ দৰে – সেই মোনাখনত পেলনীয়া আৱৰ্জনাৰে ভৰ্তি কৰিবানে ধুনীয়া ধুনীয়া সম্পদেৰে ভৰ্তি কৰিবা সেয়া নিৰ্ভৰ কৰিব তোমাৰ ওপৰত।" (কলিতা, ২০২০, পৃ. ১২১)।

কৈশোৰ কালচোৱাৰ আভ্যন্তৰীণ ধুমুহাজাক নিৰাময় কৰিব পাৰি সঁহাৰি আৰু সহানুভূতিৰে। নিৰ্মলৰ কঠোৰ শাৰীৰিক আৰু মানসিক সংগ্ৰাম, অন্তৰৰ কাৰুণ্যতা, যন্ত্ৰণা অনুভৱ মাষ্টৰৰ মৰমসনা আৰু সদৰ্থক সহাঁৰিয়ে উপশম ঘটাইছে।

ব্যক্তি বিশেষে প্ৰতিভা সুকীয়া, ব্যক্তিত্ব সুকীয়া। সমাজ তথা পৰিয়াল, বিদ্যালয়ে এই প্ৰতিভা সমূহ বিকশাই তোলাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰি উৎসাহ প্ৰদান কৰা প্ৰয়োজন। উপন্যাসখনৰ শেষৰফালে সীমান্তই পৰীক্ষাত ফেল কৰাৰ বাবে মাক-দেউতাকে অপদাৰ্থ, কুলাংগাৰ বুলি ভৎসনা কৰা কাৰ্যই সীমান্তক নিৰ্বাক কৰি তুলিছে। পৰীক্ষাত ফেল কৰা সীমান্তৰো এক অনন্য প্ৰতিভা আছে। ফুৰ্তিবাজ, তজবজীয়া সীমান্ত হৈ পৰিছে নিৰ্বাক, নিষ্প্ৰভ, নিস্পন্দন। মানসিক আঘাতে জুৰুলা কৰা সীমান্তৰ কাষত আত্মবিশ্বাস হেৰুৱাই নেপেলাবলৈ ঔপন্যাসিকে ঠিয় কৰোৱাইছে অনুভৱ মাষ্টৰক।

"অকল তুমিহে ইমান ধুনীয়াকৈ বাঁহী বজাব পাৰা সীমান্ত। আমাৰ স্কুলৰ কোনেও তোমাৰ দৰে বাঁহী বজাব নাজানে।" (কলিতা, ২০২০, পৃ. ১৭২)।

হতাশা নিৰাশাৰ মাজতো সীমান্তৰ মনোজগতত এক বিশ্বাস জন্ম হৈছে।

উপৰোক্ত আলোচনাৰ প্ৰসংগত ক'ব পাৰি যে 'বকুল ফুলৰ দৰে' উপন্যাসখনত কিশোৰ মনোজগতৰ সুক্ষ্ম অনুসন্ধান কৰিছে। কৈশোৰ কালৰ সুস্থ বিকাশৰ ক্ষেত্ৰত পৰিয়াল, সমাজ, বিদ্যালয়ৰ ভূমিকা, ৰাজনীতিয়ে সৃষ্টি কৰা ভঙ্গুৰ পৰিৱেশ আৰু এই দিশসমূহে কৈশোৰ মনোজগতত পেলোৱা সদৰ্থক, নঞাৰ্থক প্ৰভাৱ স্পষ্ট ৰূপত প্ৰকাশিত হৈছে।

## উপসংহাৰ

উপৰোক্ত আলোচনাৰ প্ৰসংগত কব পাৰি যে মৃণাল কলিতাৰ "বকুল ফুলৰ দৰে" উপন্যাসখনত কিশোৰ মনোজগতখনৰ দ্বন্দ্ব, এই সময়খিনিত সম্মুখীন হোৱা সমস্যা আৰু তেওঁলোকৰ প্ৰতি পৰিয়াল তথা সমাজৰ দৃষ্টিভংগী প্ৰকাশিত হৈছে। ঘৰ তথা সমাজে কৈশোৰ সময়চোৱাত সম্মুখীন হোৱা সমস্যা, মানসিক জগতখন বিচাৰ কৰাৰ ক্ষেত্ৰত বেছিভাগ সময়তে শুদ্ধ বিচাৰ নকৰে। ফলত মানসিক চাপ অধিক বৃদ্ধি পায়। নৱজন্ম বুলি অভিহিত কৰা কৈশোৰ সময়চোৱাত শৈক্ষিক বাতাৱৰণ যে কিছু নমনীয় আৰু বন্ধুত্বসুলভ হোৱা উচিত সেই দিশটো উপন্যাসখনত প্ৰকাশিত অন্যতম দিশ।

পাৰিবাৰিক সংঘাতে কৈশোৰ সময়চোৱাত অধিক মানসিক দ্বন্দ্বৰ সৃষ্টি কৰে। আত্মনিৰ্ভৰশীলতাৰে নিজৰ এটা পৰিচয়ৰ সন্ধানত থকা কিশোৰ কিশোৰীসকলক ঘৰুৱা সংঘাত, সমনীয়াৰ আগত শাস্তি প্ৰদান আদি কাৰ্য্যই লজ্জিত আৰু অপমানিত কৰে যাৰ ফলত আত্মবিশ্বাস হ্ৰাস পায় । 'বকুল ফুলৰ দৰে' উপন্যাসখনত গভীৰ আত্মবিশ্বাস আৰু গভীৰ আত্মসংঘাত দুয়োটা দিশেই নিৰ্মল আৰু অসীমৰ মাজেৰে দাঙি ধৰিছে। ইয়াৰ মূল কাৰণ হিচাপে ঔপন্যাসিকে দাঙি ধৰিছে সুস্থ আৰু অসুস্থ দুটা ঘৰুৱা পৰিৱেশ। কিশোৰ কিশোৰীৰ আত্মবিশ্বাস গঠন তথা সুস্থিৰ চিন্তা চেতনাৰে আগবঢ়াই নিয়াৰ ক্ষেত্ৰত শিক্ষা ব্যৱস্থাৰ ভূমিকা, শিক্ষকৰ কৰণীয় পৰিলক্ষিত হৈছে। যাৰ জৰিয়তে কৈশোৰ সময়চোৱাৰ মানসিক চাপ কমাই সুস্থিৰ বিকাশত আগবাঢ়িব পাৰে। উপন্যাসখনত কৈশোৰ সময়চোৱাৰ সঠিক পথ প্ৰদৰ্শনে সুস্থিৰ আৰু সঠিক নাগৰিক হিচাপে কিদৰে গঢ়ি তুলিব পাৰে শেষত সেই ৰাষ্টাও ঔপন্যাসিকে দেখুৱাইছে। গতিকে কব পাৰি 'বকুল ফুলৰ দৰে' উপন্যাসখন কিশোৰ মনোজগতখন সুক্ষ্ম ৰূপত তুলি ধৰা এখন লেখত লবলগীয়া উপন্যাস। কৈশোৰ সময়চোৱাৰ মনোজগতৰ সংঘাত, দ্বন্দ্ব সৃষ্টিৰ কাৰণ, কৈশোৰ পৰ্যায়ত অহা প্ৰত্যাহ্বানসমূহ আৰু এই সমূহ নিৰ্মূল কৰি সঠিক পথৰ সন্ধান সম্পৰ্কে ঔপন্যাসিকে সুক্ষ্মভাৱে দাঙি ধৰিছে।

**References**


1. কলিতা, মৃণাল। বকুল ফুলৰ দৰে। বান্ধৱ প্ৰকাশন। পঞ্চম সংস্কৰণ। ২০২০। পানবজাৰ, গুৱাহাটী।
2. দাস, সুনীল কুমাৰ, ডেকা, মঞ্জুলা, হাজৰীকা, মালবিকা আৰু বেজবৰুৱা, সাবিত্ৰী। বিকাশমূলক মনোবিজ্ঞান। অশোক বুক ষ্টল। প্ৰথম প্ৰকাশ। ২০২১। নৱেম্বৰ। গুৱাহাটী।
3. শইকীয়া, মুকুল । বিকাশমূলক মনোবিজ্ঞান। মণি-মাণিক প্ৰকাশ। চতুৰ্থ প্ৰকাশ। ২০২৩। গুৱাহাটী।
4. শৰ্মা, মুকুন্দ। কিশোৰ কিশোৰীসকলৰ মনোবিজ্ঞান। চন্দ্ৰ প্ৰকাশন। প্ৰথম প্ৰকাশ। ২০২০। পানবজাৰ। গুৱাহাটী।
5. ডেকা, ৰাতুল । সাহিত্য সমালোচনা তত্ত্ব পৰিচয় আৰু প্ৰয়োগ। সম্প্ৰীতি প্ৰকাশন। দ্বিতীয় সংস্কৰণ। অক্টোবৰ। ২০২১। আমবাৰী। গুৱাহাটী।
6. পাদুন, নাহেন্দ্ৰ। সাহিত্য তত্ত্ব আৰু সমালোচনা তত্ত্ব। দ্বিতীয় প্ৰকাশন। ২০১৪। বাণী মন্দিৰ। পানবজাৰ। গুৱাহাটী।
7. মজুমদাৰ, বিমল। সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ। দ্বিতীয় প্ৰকাশ। ২০১৬। জ্যোতি প্ৰকাশন। পানবজাৰ। গুৱাহাটী।
8. Agarwalla, Sunita. Developmental psychology. Union book Publication. First Edition. November. 2021. Panbazar. Guwahati.
9. Dar, Ayesha. On Relationship between Literature and Psychology. Vol-4 (issue-8). 284-292. 2022. DOI: 10.51594/ijarss.v4i8.382.
10. Morgan, Clifford T., King, Richard A., Weisz, john R., & Sehopler, John. Introduction to Psychology. McGraw Hill Education (India) Private Limited. 2016. Seventh Edition. 55th reprint.